**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৪২/২০২০**

# ধুবুৰী, কোকৰাঝাৰ আৰু দৰং জিলাৰ কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থাৱলী পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## দিল্লীৰ নিজামুদ্দিনৰ তবলিকী জামাতত অংশ গ্ৰহণ কৰা লোকসকলক চিনাক্তকৰকণ, স্বাস্থ্য পৰীক্ষা আৰু হ'ম কোৱাৰেনটাইন কৰাৰ বাবে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়া হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩১ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধৰ কৰাৰ বাবে ধুবুৰী জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহ পৰ্যালোচনা আৰু প্ৰত্যক্ষ কৰাৰ বাবে জিলা অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰাৰ উপৰি জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষৰ বিষয়াসকলৰ সৈতেও পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে ধুবুৰী জিলা অসামৰিক চিকিৎসালয়ৰ আছুতীয়া কক্ষৰ উপৰি অন্যান্য ব্যৱস্থাৰাজিৰো বুজ লয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত অংশ গ্ৰহণ কৰি জিলা প্ৰশাসন আৰু অন্যান্য বিভাগসমূহে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বুজ লয়। উপায়ুক্তগৰাকীয়ে জিলা প্ৰশাসন আৰু অন্যান্য বিভাগসমূহে কৰ'না সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে লোৱা বিভিন্ন পদক্ষেপ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে জৰুৰী সেৱাসমূহ অব্যাহত ৰখাৰ উপৰি অত্যাৱশ্যকীয় সা-সামগ্ৰীসমূহ যাতে জনসাধাৰণে লাভ কৰে তাক সুনিশ্চিত কৰিববলৈও উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে লক্-ডাউনৰ সময়ছোৱাত জনসাধাৰণে সামাজিক দূৰত্ব বজাই ৰাখি ঘৰৰ ভিতৰতে যাতে আৱদ্ধ হৈ থাকে সেই দিশটো নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰিববলৈ উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত পৰ্যটন বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, সাংসদ বিশ্বজিৎ দৈমাৰী, জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক প্ৰমুখ্যে জিলাখনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ দিনীয়া লক্-ডাউন কাৰ্যসূচী ভাৰতবৰ্ষৰ জনগণক নিষ্ঠাৰে পালন কৰাৰ বাবে যি আহ্বান জনাইছে সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই সামাজিক দূৰত্ব বজাই ৰাখি অসমতো প্ৰতিগৰাকী নাগৰিকে কৰ'না ভাইৰাছ সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ এই কাৰ্যসূচী পালন কৰিছে। অসমৰ ৰাইজে কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে দৃঢ়তা দেখুৱাইছে। ইয়াৰ বাবে অসমৰ ৰাইজক আন্তৰিকতাৰে কৃতজ্ঞতা জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এই যুঁজত স্বাস্থ্য বিভাগে দৃঢ়তাৰে ৰাইজৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যৰে আৰু চিকিৎসাৰ ক্ষেত্ৰত সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। চিকিৎসক, নাৰ্চ, টেকনিচিয়ান, ৱাৰ্ড বয়, ছাফাই কৰ্মীকে ধৰি স্বাস্থ্য বিভাগৰ লগত জড়িত সকলোৱে এই ক্ষেত্ৰত নিষ্ঠাৰে আৰু দৃঢ়তাৰে কাম কৰিছে। স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকাৰ লগতে অসম

চৰকাৰৰ স্বাস্থ্য বিভাগৰ সকলো বিষয়া-কৰ্মচাৰী দিনে-নিশাই নিষ্ঠাৰে মানৱ সেৱাৰ কামত ব্ৰতী হৈছে। অসম চৰকাৰৰ অন্যান্য যিবোৰ বিভাগ ৰাইজৰ বাবে অতি জৰুৰী তথা অত্যাৱশ্যকীয় সা-সামগ্ৰী যোগান সুনিশ্চিত কৰাৰ বাবে খাদ্য আৰু অসামৰিক যোগান বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, এপিডিচিএল, শক্তি, পৰিবহন আৰু ৰাজ্য চৰকাৰৰ আৰক্ষী প্ৰশাসনে সকলোৰে মিলিত প্ৰচেষ্টাৰে এই সময়ত অসমৰ জনসাধাৰণক সেৱা আগবঢ়াইছে। এই ২১ দিন যাতে ঘৰৰ ভিতৰতে নিজকে আৱদ্ধ ৰাখি তথা শৃংখলাৱদ্ধভাৱে পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখি এজনে আন এজনৰ পৰা সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এই ক্ষেত্ৰত অসম চৰকাৰে দৃঢ়তাৰে জনসাধাৰণক সেৱা আগবঢ়াই আহিছে আৰু সেৱা আগবঢ়াই যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে সাংবাদিকসকলেও নিষ্ঠাৰে জনসাধাৰণৰ স্বাৰ্থত সেৱা আগবঢ়াইছে। মুখ্যমন্ত্ৰীয়ে অসমৰ সাংবাদিকসকলকো আন্তৰিকতাৰে কৃথজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ধুবুৰী জিলাৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহ তেওঁ পৰ্যালোচনা কৰিছে। প্ৰশাসনে জিলাখনৰ ২৯ লাখ জনসাধাৰণৰ স্বাৰ্থত কাম কৰি আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে লক্‌-ডাউন কাৰ্যসূচী প্ৰতিগৰাকী ব্যক্তি সুৰক্ষিতকৰণৰ বাবে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সকলোৰে লক্‌-ডাউন কাৰ্যসূচী মানি চলিলে অসমৰ ৰাইজ সুৰক্ষিত হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে কয় যে এই বেমাৰৰ এতিয়ালৈকে ঔষধ আৱিস্কাৰ হোৱা নাই। সেইবাবে আমি সকলোৰে সামাজিক ব্যৱধান মানি চলা উচিত। কোনোবাই এই কাৰ্যসূচীক উপলুঙা কৰিলে জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত চৰকাৰে ব্যৱস্থা ল'বলৈ বাধ্য হ'ব। এইটো কোনো ল'ৰা ধেমালি কথা নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্বৰ মানৱ সমাজৰ কি অৱস্থা হৈছে সকলোৰে দেখিছে বুলিও কয়। অসমৰ বুকুত এজনো লোক এতিয়ালৈকে আক্ৰান্ত হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই দিশত সকলোৰে সজাগ-সচেতন হোৱা উচিত বুলিও কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে দিল্লীৰ নিজামুদ্দিনৰ ঘটনা সন্দৰ্ভত ইতিমধ্যে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ বিভিন্ন প্ৰান্তৰ যিসকল লোক তালৈ গৈছিল তথা তাৰে যিসকলে অসমলৈ ঘূৰি আহিছে তেখেতসকলে ক'ত কেনেকৈ আছে নিজেই পৰিচয় দিব লাগিব। মুখ্যমন্ত্ৰীয়ে এই কথা যাতে কোনেও লুকাই নাৰাখে তাৰ বাবেও আহ্বান জনায়। ৰাজ্যখনৰ ৩.৩০ কোটি মানুহক ৰক্ষা কৰাৰ স্বাৰ্থত যিসকলে ঘূৰি আহিছে তেওঁলোকে নিজৰ পৰিচয় দিয়া উচিত। কোনো ব্যক্তি ঘূৰি আহিলে সেই খবৰ জিলা প্ৰশাসনক দিয়াৰ বাবেও ৰাইজক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে কোনো ক্ষেত্ৰতে সামাজিক ব্যৱধানৰ বিষয়ত আপোচ কৰা নহ'ব। আন্তঃৰাষ্ট্ৰীয় সীমাত থকা জিলাসমূহত অধিক তৎপৰতাৰে নিৰীক্ষণ ৰাখিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ বাহিৰৰ পৰা অহা ব্যক্তিক পৰীক্ষ-নিৰীক্ষা নকৰাকৈ অসমত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে আছুতীয়া কক্ষকে ধৰি চিকিৎসা ব্যৱস্থা সমূহৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰ জিলাৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতেও কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ বাবে লোৱা ব্যৱস্থাৱলীৰ বুজ

লয়। এই পৰ্যালোচনা সভাত জিলা উপায়ুক্তগৰাকীয়ে প্ৰশাসনে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰাজি সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। এই পৰ্যালোচনামূলক সভাত সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, সাংসদ বিশ্বজিৎ দৈমাৰী, বিটিচিৰ প্ৰধান সচিব ৰবিনচন মুছাহাৰী, উপায়ুক্ত পাৰ্থপ্ৰতীম মজুমদাৰ প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

আনহাতে, কোকৰাঝাৰত সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰীয়ে কয় যে দিল্লীৰ নিজামুদ্দিনৰ তবলিকী জামাতত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লোকে অংশ গ্ৰহণ কৰিছিল আৰু অসমৰো বহু সংখ্যক লোকে এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰা বুলি আমি গম পাইছো। এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰা কেইবাগৰাকী ব্যক্তি ইতিমধ্যে মৃত্যু মুখত পৰিছে। আনহাতে, কেইবাগৰাকী ব্যক্তি কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত বুলি চিহ্নিত হৈছে। সেইবাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অসমৰ প্ৰতিগৰাকী উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক নিৰ্দেশ দিয়া হৈছে যে সেই সকলক অতিশীঘ্ৰে চিনাক্ত কৰি উলিয়াই পৰীক্ষা কৰিব লাগে আৰু হ'ম কোৱাৰেনটাইনৰ ব্যৱস্থা কৰিব লাগে। অসমৰ সমাজখনক ৰক্ষা কৰাৰ স্বাৰ্থত এইখিনি কাম ততাতৈয়াকৈ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলে নিজ নিজ জিলাত কৰিবই লাগিব। যিমানে আমি সাৱধান হ'ম, সতৰ্ক হ'ম সিমানেই আমি ৰক্ষা পৰিম বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**পুঃডেঃ / বঃভাঃ**
**৩১/০৩/২০২০**